**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-09-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::

১। সমগ্ৰ বিশ্বই নতুন আৰু বিশ্বাসযোগ্য উৎপাদন কেন্দ্ৰৰ সন্ধান কৰাৰ সময়ত ভাৰতে এই প্ৰয়োজন পুৰাবৰ বাবে নিজকে ক্ৰমান্বয়ে প্ৰস্তুত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰে পৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্নজনে নেতাগৰাকীলৈ শুভেচ্ছা জনাইছে।

৪। ব্যক্তিৰ পৰা ব্যক্তিলৈ সকলো ধৰণৰ ইউ পি আইৰ লেনদেন বিনামুলীয়া হৈ থাকিব। ***আৰু***

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি অৰুণ জেটলি ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০

সমগ্ৰ বিশ্বই নতুন আৰু বিশ্বাসযোগ্য উৎপাদন কেন্দ্ৰৰ সন্ধান কৰাৰ সময়ত ভাৰতে এই প্ৰয়োজন পুৰাবৰ বাবে নিজকে ক্ৰমান্বয়ে প্ৰস্তুত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। আজি নতুন দিল্লীৰ যশোভূমিত ছেমিকন ইণ্ডিয়া ২০২৬ উদ্বোধন কৰি তেওঁ কয় যে গোলকীয় উৎপাদন প্ৰত্যাহ্বানসমূহৰ মুখামুখি হবলৈ দেশ নিৰ্ভৰযোগ্য কেন্দ্ৰ হিচাপে প্ৰস্তুত হৈছে। শ্ৰী মোদীয়ে কয়, যে এফালে ভাৰতৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত হোৱাৰ লগতে ভাৰতৰ ওপৰত বিশ্ব সম্প্ৰদায়ৰ বিশ্বাস ক্ৰমাৎ বৃদ্ধি পাইছে। তেওঁ কয় যে প্ৰত্যাহ্বানপূৰ্ণ গোলকতীয় পৰিস্থিতিতো ভাৰতে ৭ দশমিক ৮ শতাংশ বিকাশৰ হাৰেৰে আগবাঢ়িবলৈ সমৰ্থ হৈছে। শ্ৰী মোদীয়ে কয়, যে দেশৰ প্ৰতিজন নাগৰিকে এখন বিকশিত ভাৰত নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ অৰ্ধ পৰিবাহী অৰ্থাৎ ছেমি কনডাক্টৰ পৰিস্থিতি তন্ত্ৰ দ্ৰুত গতিত বৃদ্ধি পাইছে আৰু ইয়ে উদ্ভাৱন, বিনিয়োগ আৰু বিকাশৰ সুযোগ সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত অৰ্ধপৰিবাহী অভিযানৰ প্ৰথম পৰ্যায়ৰ ৮০০ কোটি ডলাৰৰ পৰা দ্বিতীয় পৰ্যায়ত ১৩ হাজাৰ ৫০০ কোটি ডলাৰলৈ বৃদ্ধি কৰা হৈছে। তেওঁ কয় যে এতিয়ালৈকে ১২ টা ছীপ নিৰ্মাণ প্ৰকল্পত অনুমোদন জনোৱা হৈছে আৰু পৰৱৰ্তী পৰ্যায়ত এই সংখ্যা বৃদ্ধি পাব। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীত অলপতে অনুষ্ঠিত হোৱা ব্ৰিকচ শীৰ্ষ সন্মিলনৰ কথা উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে সফলতাৰে এই শীৰ্ষ সন্মিলন অনুষ্ঠিত কৰাৰ লগতে প্ৰতিখন সদস্যৰাষ্ট্ৰৰ সহমতত নতুন দিল্লী ঘোষণা পত্ৰ গ্ৰহণ কৰে। শ্ৰীমোদীয়ে ইয়াক ভাৰতৰ ওপৰত বিশ্বৰ বিশ্বাসৰ গুৰুত্বপূৰ্ণ প্ৰমাণ বুলি উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ বিষয়ে গৱেষণা কৰা যুৱ প্ৰতিভাসমূহ আগবাঢ়ি আহিব লাগে। তেওঁ লগতে কয় যে বিদেশত গৱেষণাৰত যুৱক-যুৱতীসকলেও দেশৰ উন্নত প্ৰযুক্তিৰ বিকাশৰ সৈতে জড়িত হ'ব লাগে। তেওঁ

উদ্যোগপতিসকলক দেশৰ গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰখনত নেতৃত্ব দিবলৈ আহ্বান জনায়। এই কথাই উদ্যোগৰ  বিকাশ সাধন কৰাৰ লগতে যুৱ প্ৰজন্মকো শক্তিশালী কৰি তুলিব বুলি তেওঁ মন্তব্য কৰে।

এই সন্মিলনত কেন্দ্ৰীয় ইলেক্ট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তিৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ভাৰতে বিগত কেইবা দশক ধৰি অৰ্ধ পৰিবাহী উদ্যোগ স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আহিছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এয়া সম্ভৱ হ'ল। তেওঁ কয়, যে ইতিমধ্যে এই উদ্যোগৰ বুনিয়াদ স্থাপন কৰা হৈছে আৰু ইয়াৰ দ্বিতীয় পৰ্যায়ত ছেমিকনৰ জৰিয়তে উদ্যোগ নিৰ্মাণ কৰা হ'ব আৰু ই ছটা মুখ্য স্তম্ভত আলোকপাত কৰিব। এই পৰ্যায়ত অৰ্ধ পৰিবাহীৰ আৰ্হি যন্ত্ৰ তথা সামগ্ৰী, ছিলিকন আদিকে ধৰি গৱেষণা আৰু উন্নয়ন কোযো থাকিব। তেওঁ লগতে কয়, যে ছেমি কণ্ডাক্টৰৰ জৰিয়তে চৰকাৰে কমেও ২০০ ষ্টাৰ্টআপ আৰু কম্পেনিক সহায় কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি ৰাজ্য মন্ত্ৰী জিতিন প্ৰাসাদ, সচিব এছ্‌ কৃষ্ণণৰ লগতে বহু জ্যেষ্ঠ বিষয়া আৰু প্ৰতিনিধি এই অনুষ্ঠানত উপস্থিত আছিল।

এই তিনিদিনীয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ মূল বিষয়বস্তু হৈছে- **ছিলিকনৰ পৰা প্ৰণালীলৈ ঃ অনুকূল ব্যৱস্থাৰ নিৰ্মাণ**। প্ৰদৰ্শনীত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৬০০তকৈ অধিক প্ৰদৰ্শনকাৰী, ৩০০তকৈ অধিক আন্তঃৰাষ্ট্ৰীয় কোম্পানী আৰু ৪০ খনতকৈ অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। প্ৰদৰ্শনীখনত ছখন দেশ, ১২ খন ৰাজ্য আৰু ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ বাবে এটা সুকীয়া মণ্ডপ আছে। এই সন্মিলন তথা প্ৰদৰ্শনীত ছেমি কণ্ডাক্টৰ নিৰ্মাণ আৰু প্ৰযুক্তিকে ধৰি ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিক খণ্ডৰ শেহতীয়া শৈলী আৰু গুৰুত্বপূৰ্ণ খণ্ড সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা আৰু কৌশলগত অধিৱেশনৰ আয়োজন কৰা হৈছে। এই সন্মিলনে ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহৰ বাবে সহযোগিতাৰ অন্বেষণ, বিনিয়োগৰ সুযোগ, প্ৰযুক্তিগত সহযোগিতা আৰু বিশ্বাসী গোলকীয় ছেমি কণ্ডাক্টৰ সহযোগী হিচাপে ভাৰতৰ স্থিতি অধিক সবল কৰি তোলাৰ আশা কৰা হৈছে। ০০০০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা জনসেৱা চে দেশ সেৱা মন্ত্ৰৰে গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ  ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰে পৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে পৰিচালিত  চৰকাৰসমূহ ২০৪৭ চনত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যেৰে কাম কৰি আছে। অন্তৰ্ভুক্তিমূলক বিকাশ আৰু সামাজিক সৱলিকৰণৰ জৰিয়তে এই দায়বদ্ধতা জনসাধাৰণৰ জীৱনলৈ প্ৰবাহিত হৈছে। এই উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সেৱা সংকল্প অভিযানৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী লোৱা হৈছে। ১৭ অক্টোবৰলৈ চলিবলগীয়া এই অভিযানৰ প্ৰথম দিনটোত আজি সেৱা দিৱস হিচাপে পালন কৰা হৈছে। এই দিৱসৰ অংশ হিচাপে দেশজুৰি আজি ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দায়িত্বভাৰ গ্ৰহণৰ সময়ত চৰকাৰ আৰু নাগৰিকৰ মাজত পোনপটীয়া আৰু নিৰৱচিচ্ছিন্ন যোগাযোগ স্থাপন কৰাৰ গুৰুত্বপূৰ্ণ ধাৰণা তেওঁৰ প্ৰশাসনীয় দৃষ্টিভংগীত পৰিলক্ষিত হৈছিল। এই দৃষ্টিভংগীৰে ২০১৪ চনৰ জুলাইত দেশৰ নাগৰিক সংযোগ মঞ্চ মাই গভ মুকলি কৰা হয়। প্ৰশাসনৰ নীতি নিৰ্ধাৰণত জনসাধাৰণৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত এই মঞ্চ অন্যতম গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে বিবেচিত হৈছে। ২০২৪ চনৰ জানুৱাৰীত নতুন দিল্লীত এন চি চি কেডেটসকলৰ এখন সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক বিকশিত ভাৰতৰ স্থপতি বুলি আখ্যা দি মাই গভ মঞ্চৰ জৰিয়তে বিকশিত ভাৰতৰ বাবে পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছিল। ২০২৬ চনৰ জুলাই পৰ্যন্ত প্ৰায় ৬ কোটি ৫০ লাখ নাগৰিকে মাই গভ মঞ্চত নিজৰ নাম পঞ্জীয়ন

কৰিছে। এই মঞ্চখনে  নাগৰিকসকলৰ উন্নয়ন প্ৰক্ৰিয়াৰ অংশীদাৰ হোৱাৰ লগতে দেশ গঠনত নিজৰ চিন্তা আৰু পৰামৰ্শ আগবঢ়োৱা অংশগ্ৰহণমূলক প্ৰশাসন ব্যৱস্থাৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্নজনে নেতাগৰাকীলৈ শুভেচ্ছা জনাইছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰে দেশৰ সমৃদ্ধি আৰু মৰ্যাদা বৃদ্ধি কৰিছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত ভাৰত বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে পৰিগণিত হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীগৰাকীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে শ্ৰী মোদীয়ে ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰি উন্নয়ন আৰু আত্মনিৰ্ভশীলতাৰ নতুন যুগৰ সূচনা কৰিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি তেওঁৰ দায়বদ্ধতা সদায় প্ৰেৰণাৰ উৎস বুলি মুখ্যমন্ত্ৰীয়ে কয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পৱিত্ৰ মাৰ্ঘেৰিটাইও প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০

ব্যক্তিৰ পৰা ব্যক্তিলৈ সকলো ধৰণৰ ইউ পি আইৰ লেনদেন বিনামুলীয়া হৈ থাকিব। কোনো ব্যক্তিলৈ ইউ পি আইযোগে ধন প্ৰেৰণ কৰিলে অথবা দোকানত কিউ আৰ কোড স্কেন কৰি মূল্য পৰিশোধ কৰিলে কোনো ধৰণৰ মাছুল ভৰিব নালাগে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে, ইউ পি আই কি আৰ কোডৰ জৰিয়তে মাহে ১ লাখ টকালৈকে উপাৰ্জন কৰা ব্যৱসায়ী বা বিক্ৰেতাসকলৰ ক্ষেত্ৰত কোনো ধৰণৰ মাছুল প্ৰযোজ্য নহব। সূত্ৰটোৱে প্ৰকাশ কৰা মতে, ৰূপেই ডেবিট কাৰ্ডৰ সৈতে সংযুক্ত সকলো ইউ পি আই লেনদেন বিনামুলীয়া হৈ থাকিব। সূত্ৰসমূহে প্ৰকাশ কৰা মতে, ব্যক্তিৰ পৰা ব্যৱসায়ীলৈ হোৱা প্ৰায় ৯৬ শতাংশ ইউ পি আই লেনদেন অপৰিৱৰ্তিত হৈ থাকিব। আনহাতে, ৰেল সেৱা, ইন্ধন আৰু অন্যান্য অত্যাৱশ্যকীয় খণ্ডত ২ হাজাৰ টকাৰ ওপৰত লেনদেনৰ বাবে প্ৰতিটো লেনদেনতে ৫ টকাৰ এটা মাৰ্চেণ্ট ডিছকাউণ্ট ৰেট চমুকৈ এম ডি আৰ ধাৰ্য কৰা হ'ব। একেদৰে ২ হাজাৰ টকাৰ ওপৰৰ বৃহৎ ব্যৱসায়ীক লেনদেনৰ ক্ষেত্ৰত লেনদেনত ব্যৱসায়ীসকলে দশমিক ৪ শতাংশ হাৰত এম ডি আৰ বহন কৰিব লাগিব। সূত্ৰসমূহে প্ৰকাশ কৰা মতে, ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ মাজত ইউ পি আই গ্ৰহণৰ প্ৰসাৰ ঘটা  বুলি এটা সুকীয়া পুঁজি গঠন কৰা হ'ব। সংগৃহীত এম ডি আৰৰ ৫ শতাংশ ধন এই পুঁজিলৈ আগবঢ়োৱা হ'ব। এই পুঁজিয়ে দেশৰ ডিজিটেল লেনদেন ব্যৱস্থাত ইউ পি আইৰ অধিক প্ৰসাৰ, ব্যৱহাৰ আৰু ক্ষুদ্ৰ ব্যৱসায়ীসমূহক ডিজিটীয় পৰিশোধৰ ব্যৱস্থাটোত অন্তৰ্ভুক্ত কৰাত সহায় কৰিব।

০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হব। খেলখন ভাৰতীয় সময় অনুসৰি

সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হব। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি ইতিমধ্যে শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত অভিষেক শৰ্মাৰ সুন্দৰ প্ৰদৰ্শনৰ বলত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত সঞ্জু ছেমছনে ২২ টা বলত ৫৭ ৰান কৰি ভাৰতীয় দলৰ সহজ জয় নিশ্চিত কৰি তোলে।

০০০০

ঃঃ সমাপ্ত ঃঃ